# গড়গাঁও কলেজত অভিভাৱক সন্মিলন

**'আমাৰ অসম'ৰ শিৱসাগৰৰ প্ৰতিনিধি, ২৮ ফেব্ৰুৱাৰী ঃ** সাৰ্থক জীৱনৰ অন্বেষণ শিক্ষাৰ্থীৰ লক্ষ্য হ'ব লাগে। সফল জীৱনতকৈ সাৰ্থক জীৱনৰ মূল্য অধিক। অভিভাৱকে ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ উপযোগী কৰি গঢ়ি তুলিব লাগে। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ যৌথ উদ্যোগত অনুষ্ঠিত বক্তৃতানুষ্ঠানত এই মন্তব্য আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠা কালৰে পৰা শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তৰণৰ লগতে বৌদ্ধিক আৰু সামাজিক বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তাৰেই অংশস্বৰূপে শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ এখন সন্মিলনৰ আয়োজন কৰে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই সভাপতিত্ব কৰা অনুষ্ঠানটিত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰি ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান ড° জিতু শইকীয়াই অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰ মনটোৱে কি বিচাৰে সেই দিশ অনুধাৱন কৰি যথোপযুক্ত উৎসাহ প্ৰদানৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলীয়ালে আঁত ধৰা সভাত অসমীয়া বিভাগৰ অধ্যাপকবৃন্দ ক্ৰমে নীলাক্ষি চেতিয়া, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া, ড° অংকুৰ দত্তকে প্ৰমুখ্য কৰি ইংৰাজী বিভাগৰ সহাকৰী অধ্যাপক ড° অঞ্জন কোঁৱৰ, ভূতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বণিকা বুঢ়াগোহাঁই, ইতিহাস বিভাগৰ বিভাগীয় প্ৰধান ড° বলোৰাম দাস, সমাজতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান মীনা ৰবিদাস উপস্থিত থাকে। প্ৰায় অৰ্ধ শতাধিক অভিভাৱকে অংশগ্ৰহণ কৰা সভাত প্ৰণৱ দুৱৰাৰ সভাপতিত্ব অসমীয়া বিভাগৰ শিক্ষক-অভিভাৱকৰ এখন নতুন সমিতি গঠন কৰা হয়। সভাত অভিভাৱক সমিতিৰ উপ-সভাপতি যোগেশ্বৰ আৰান্ধৰাকে প্ৰমুখ্য কৰি কেইবাজনো অভিভাৱকে মনৰ ভাব প্ৰকাশ কৰি এনেধৰণৰ ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় সময়োপযোগী অনুষ্ঠান বুলি মন্তব্য কৰে।

বৰং অঞ্চলৰ লগতে লালা, ব্ৰহ্মপুত্ৰৰ কেইবাটাও চৰ- ভুক্তভোগী ৰাইজে দাবী জনাইছে।

## গড়গাঁও মহাবিদ্যালয়ত শিক্ষক-শিক্ষাৰ্থী-অভিভাৱক সন্মিলন

# সাৰ্থক জীৱনৰ অন্বেষণ শিক্ষাৰ্থীৰ লক্ষ্য হ'ব লাগে ঃ ড° সব্যসাচী মহন্ত



**নিয়মীয়া বাৰ্তা, শিৱসাগৰ, ২৮ ফেব্ৰুৱাৰী ঃ** 'সাৰ্থক জীৱনৰ অন্বেষণ শিক্ষাৰ্থীৰ লক্ষ্য হ'ব লাগে। সফল জীৱনতকৈ সাৰ্থক জীৱনৰ মূল্য অধিক। সফলতাক সাৰ্থকতালৈ ৰূপান্তৰ কৰাত অধিক গুৰুত্ব দিলে জীৱন মধুৰ হৈ পৰে। অভিভাৱকে ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ উপযোগী কৰি গঢ়ি তুলিব লাগে।' গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ যৌথ উদ্যোগত অনুষ্ঠিত এক বিশেষ বক্তৃতানুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য আগবঢ়াই মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ, কবি ড° সব্যসাচী মহন্তই। ড° মহন্তই 'ব্যক্তিত্বৰ বিকাশ ঃ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ কৰণীয়' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি মন আৰু মগজুৰ উপযুক্ত কৰ্ষণে শিক্ষাৰ্থীৰ পূৰ্ণ ব্যক্তিত্ব বিকাশ সম্ভৱ কৰি তোলে বুলি মন্তব্য কৰে। তেওঁ লগতে ঘৰখনেই আমাৰ মূল শিক্ষানুষ্ঠান বুলি মন্তব্য কৰি শিক্ষাৰ্থীক-সঠিক পথৰ নিৰ্দেশনা, ধনাত্মক দিশত উৎসাহ প্ৰদান কৰা, শিক্ষাৰ্থীৰ সামাজিকৰণ কৰা আদি দিশত অভিভাৱকসকলক বিশেষ গুৰুত্ব দিবলৈ আহ্বান জনায়। উল্লেখ্য যে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠা কালৰে পৰা শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তৰণৰ লগতে বৌদ্ধিক আৰু সামাজিক বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তাৰেই অংশস্বৰূপে শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ এখন সন্মিলনৰ আয়োজন কৰে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই সভাপতিত্ব কৰা অনুষ্ঠানটিত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰি ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান ড° জিতু শইকীয়াই অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰ মনটোৰে কি বিচাৰে সেই দিশ অনুধাৱন কৰি যথোপযুক্ত উৎসাহ প্ৰদানৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বৰুলীয়ালে আঁত ধৰা সভাত অসমীয়া বিভাগৰ অধ্যাপকবৃন্দ ক্ৰমে নীলাক্ষি চেতিয়া, ৰুণজুণ হাজৰিকা, প্ৰিয়মা দিহিঙীয়া, ড° অংকুৰ দত্ত প্ৰমুখ্যে ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° অঞ্জন কোঁৱৰ, ভূতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ৰুণিকা বুঢ়াগোহাঁই, ইতিহাস বিভাগৰ বিভাগীয় প্ৰধান ড° বলোৰাম দাস, সমাজতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান মীনা ৰবিদাস উপস্থিত থাকে। প্ৰায় অৰ্ধশতাধিক অভিভাৱকে অংশগ্ৰহণ কৰা সভাত প্ৰণৱ দুৱৰাৰ সভাপতিত্বত অসমীয়া বিভাগৰ শিক্ষক-অভিভাৱকৰ এখন নতুন সমিতি গঠন কৰা হয়। সভাত অভিভাৱক সমিতিৰ উপ-সভাপতি যোগেশ্বৰ আৰান্ধৰা প্ৰমুখ্যে কেইবাজনো অভিভাৱকে মনৰ ভাব প্ৰকাশ কৰি এনেধৰণৰ ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় সময়োপযোগী অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে উদ্যোক্তাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

তৃতীয় পৃষ্ঠাৰ পৰা

## মৰিয়নিৰ বিমান থাপাৰ দেহা

হোৱাত প্ৰথমে যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু পিছত ডিব্ৰুগড়ৰ অসম চিকি
হৈ আছিল। দুদিনমান পূৰ্বে তেওঁক ঘৰলৈ অনা হৈছিল যদিও স্নায়ুজনিত ৰোগ
শেষ নিশ্বাস ত্যাগ কৰে। এজন সুদক্ষ খেলুৱৈ হিচাপে কম দিনতে তেওঁ নিজ

# গড়গাঁও মহাবিদ্যালয়ত শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱক সন্মিলন

**শিৱসাগৰ ঃ** এজন প্ৰতিবেদক, ২৮ ফেব্ৰুৱাৰী ঃ 'সাৰ্থক জীৱনৰ অন্বেষণ শিক্ষাৰ্থীৰ লক্ষ্য হ'ব লাগে। সফল জীৱনতকৈ সাৰ্থক জীৱনৰ মূল্য অধিক। সফলতাক সাৰ্থকতালৈ ৰূপান্তৰ কৰাত অধিক গুৰুত্ব দিলে জীৱন মধুৰ হৈ পৰে। অভিভাৱকে ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ উপযোগী কৰি গঢ়ি তুলিব লাগে।' গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ যৌথ উদ্যোগত অনুষ্ঠিত এক বিশেষ বক্তৃতানুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ তথা নিবন্ধকাৰ, কবি ড° সব্যসাচী মহন্তই। ড° মহন্তই 'ব্যক্তিত্ব বিকাশ ঃ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ কৰণীয়' শীৰ্ষক বিষয়ত বক্তৃতা আগবঢ়াই মন আৰু মগজুৰ উপযুক্ত কৰ্ষণে শিক্ষাৰ্থীৰ পূৰ্ণ ব্যক্তিত্ব বিকাশ সম্ভৱ কৰি তোলে বুলি মন্তব্য কৰে। তেওঁ লগতে ঘৰখনেই আমাৰ মূল শিক্ষানুষ্ঠান বুলি মন্তব্য কৰি শিক্ষাৰ্থীক সঠিক পথৰ নিৰ্দেশনা, ধনাত্মক দিশত উৎসাহ প্ৰদান কৰা, শিক্ষাৰ্থীৰ সামাজিকীকৰণ কৰা আদি দিশত অভিভাৱকসকলক বিশেষ গুৰুত্ব দিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠা কালৰেপৰা শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তৰণৰ লগতে বৌদ্ধিক আৰু সামাজিক বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তাৰেই অংশস্বৰূপে শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ এখন সন্মিলনৰ আয়োজন কৰে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই সভাপতিত্ব কৰা অনুষ্ঠানটোত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰি ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান ড° জিতু শইকীয়াই অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰ মনটোৱে কি বিচাৰে, সেই দিশ অনুধাৱন কৰি যথোপযুক্ত উৎসাহ প্ৰদানৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলিয়ালে আঁত ধৰা সভাত অসমীয়া বিভাগৰ অধ্যাপকবৃন্দ ক্ৰমে নীলাক্ষি চেতিয়া, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া, ড° অংকুৰ দত্তকে প্ৰমুখ্য কৰি ইংৰাজী বিভাগৰ সহাকৰী অধ্যাপক ড° অঞ্জন কোঁৱৰ, ভূ-তত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বণিকা বুঢ়াগোহাঁই, ইতিহাস বিভাগৰ বিভাগীয় প্ৰধান ড° বলোৰাম দাস, সমাজতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান মীনা ৰবিদাস উপস্থিত থাকে। অৰ্ধ শতাধিক অভিভাৱকে অংশগ্ৰহণ কৰা সভাত প্ৰণৱ দুৱৰাৰ সভাপতিত্ব অসমীয়া বিভাগৰ শিক্ষক-অভিভাৱকৰ এখন নতুন সমিতি গঠন কৰা হয়। সভাত অভিভাৱক সমিতিৰ উপ-সভাপতি যোগেশ্বৰ আৰন্ধৰাকে প্ৰমুখ্য কৰি কেইবাজনো অভিভাৱকে মনৰ ভাব প্ৰকাশ কৰি এনেধৰণৰ ব্যক্তিত্ব বিকাশ সম্পৰ্কীয় সময়োপযোগী অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে উদ্যোক্তাসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

## গড়গাঁও মহাবিদ্যালয়ত শিক্ষক-শিক্ষাৰ্থী-অভিভাৱক সন্মিলনত ড° সব্যসাচী মহন্ত

# সফল জীৱনতকৈ সাৰ্থক জীৱনৰ মূল্য অধিক

**প্ৰতিদিন বিশেষ সেৱা, শিবসাগৰ, ২৮ ফেব্ৰুৱাৰী ঃ** 'সাৰ্থক জীৱনৰ অন্বেষণ শিক্ষাৰ্থীৰ লক্ষ্য হ'ব লাগে। সফল জীৱনতকৈ সাৰ্থক জীৱনৰ মূল্য অধিক। সফলতা সাৰ্থকতালৈ ৰূপান্তৰ কৰাত অধিক গুৰুত্ব দিলে জীৱন মধুৰ হৈ পৰে। অভিভাৱকে ছাত্ৰ-ছাত্ৰীক সিদ্ধান্ত গ্ৰহণ কৰিব পৰাকৈ উপযোগী কৰি গঢ়ি তুলিব লাগে।' গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ যৌথ উদ্যোগত অনুষ্ঠিত এক বিশেষ বক্তৃতানুষ্ঠানত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি এই মন্তব্য আগবঢ়ায় মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। 'ব্যক্তিত্ব বিকাশ ঃ শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকৰ কৰণীয়'-শীৰ্ষক বিষয়ত বক্তৃতা দি মন আৰু মগজুৰ উপযুক্ত কৰ্ষণে শিক্ষাৰ্থীৰ পূৰ্ণ ব্যক্তিত্ব বিকাশ সম্ভৱ কৰি তোলে বুলি



তেওঁ মন্তব্য কৰে। ড° মহন্তই কয় যে ঘৰখনেই আমাৰ মূল শিক্ষানুষ্ঠান। শিক্ষাৰ্থীক সঠিক পথৰ নিৰ্দেশনা, ধনাত্মক দিশত উৎসাহ প্ৰদান কৰা, শিক্ষাৰ্থীৰ সামাজিকীকৰণ কৰা আদি দিশত অভিভাৱকসকলক বিশেষ গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়। উল্লেখযোগ্য যে গড়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰতিষ্ঠা কালৰে পৰা শিক্ষাৰ্থীসকলৰ শৈক্ষিক উত্তৰণৰ লগতে বৌদ্ধিক আৰু সামাজিক বিকাশৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। তাৰেই অংশস্বৰূপ শিক্ষক, শিক্ষাৰ্থী আৰু অভিভাৱকৰ এখন সন্মিলনৰ আয়োজন কৰে। অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান প্ৰণৱ দুৱৰাই সভাপতিত্ব কৰা অনুষ্ঠানটোত বিশেষ অতিথিৰূপে অংশগ্ৰহণ কৰি ইংৰাজী বিভাগৰ বিভাগীয় প্ৰধান ড° জিতু শইকীয়াই অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীৰ ভিতৰৰ মনটোৰে কি বিচাৰে, সেই দিশ অনুধাৱন কৰি যথোপযুক্ত উৎসাহ প্ৰদানৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলিয়ালে আঁত ধৰা সভাত অসমীয়া বিভাগৰ অধ্যাপকবৃন্দ ক্ৰমে নীলাক্ষি চেতিয়া, ৰুণজুন হাজৰিকা, প্ৰিয়মা দিহিঙীয়া, ড° অংকুৰ দত্তকে প্ৰমুখ্য কৰি ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° অঞ্জন কোঁৱৰ, ভূতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বণিকা বুঢ়াগোহাঁই, ইতিহাস বিভাগৰ বিভাগীয় প্ৰধান ড° বলোৰাম দাস, সমাজতত্ত্ব বিভাগৰ বিভাগীয় প্ৰধান মীনা ৰবিদাস উপস্থিত থাকে। অৰ্ধশতাধিক অভিভাৱকে অংশগ্ৰহণ কৰা সভাত প্ৰণৱ দুৱৰাৰ সভাপতিত্বত অসমীয়া বিভাগৰ শিক্ষক-অভিভাৱকৰ এখন নতুন সমিতি গঠন কৰা হয়।